GAS S6 02 (M)

Exam Code: ASM6B

অসমৰ ধৰ্মীয় পৰম্পৰা আৰু সাহিত্য

ষষ্ঠ ষাণ্মাসিক

অসমীয়া

খণ্ড - ১



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অসমৰ ধৰ্মীয় পৰম্পৰা — শাক্ত ধৰ্ম আৰু শৈৱ ধৰ্ম** 7–23

অসমৰ ধৰ্মীয় পৰম্পৰা; শাক্ত ধৰ্ম ঃ অসমত শাক্ত ধৰ্ম, অসমৰ শক্তিপীঠ আৰু মঠ-মন্দিৰ, অসমৰ শাক্ত সাহিত্য; শৈৱ ধৰ্ম ঃ অসমত শৈৱ ধৰ্ম, অসমৰ শৈৱ মঠ-মন্দিৰ, অসমৰ শৈৱ সাহিত্য

অধ্যায় ২ ঃ **অসমৰ ধৰ্মীয় পৰম্পৰা — বৈষ্ণৱ ধৰ্ম** 24–34

বৈষ্ণৱ ধৰ্মৰ বিকাশ — সাধাৰণ আলোচনা; অসমৰ বৈষ্ণৱ ধৰ্মৰ ইতিহাস ঃ শিলালিপি-তাম্ৰলিপিৰ যুগ, *কালিকা পুৰাণ* (তন্ত্ৰৰ যুগ), প্ৰাক্-শংকৰী যুগ, শংকৰী যুগ

অধ্যায় ৩ ঃ **ভক্তি আন্দোলন — সৰ্বভাৰতীয় পটভূমি** 35–49

ভক্তি আন্দোলন আৰু ইয়াৰ সৰ্বভাৰতীয় পটভূমি; ভাৰতীয় ভক্তি সাহিত্যৰ ধৰ্মীয় পটভূমি; ভক্তি সাহিত্যৰাজি আৰু প্ৰধান বৈষ্ণৱসকলৰ সাহিত্যকৃতি

অধ্যায় ৪ ঃ **অসমৰ ভক্তি আন্দোলন** 50–63

অসমৰ ভক্তি আন্দোলন — সূচনা আৰু বিকাশ; শঙ্কৰদেৱৰ ভক্তি আন্দোলনৰ বৈশিষ্ট্য

অধ্যায় ৫ ঃ **অসমীয়া ভক্তি সাহিত্য** 64–84

অসমীয়া ভক্তি সাহিত্যৰ সাধাৰণ পৰিচয়; অসমীয়া ভক্তি সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য; অসমীয়া ভক্তি সাহিত্যৰ ৰূপগত বিভাজন ঃ কাব্য, গীত, নাট, অনুবাদ সাহিত্য, চৰিত সাহিত্য আৰু গদ্য ৰচনা, অন্যান্য ধৰ্মতত্ত্ব সম্পৰ্কীয় গ্ৰন্থ

অধ্যায় ৬ ঃ **শংকৰদেৱ — *আদি দশম* - ১** 85–100

আদি দশম ঃ বিষয়বস্তু, অনুবাদ ৰীতি, কাব্যিক সৌন্দৰ্য

অধ্যায় ৭ ঃ **শংকৰদেৱ — *আদি দশম* - ২** 101–131

কালীয় দমন আৰু বনাগ্নি পান ঃ মূল পাঠ, সাধাৰণ আলোচনা

খণ্ড পৰিচয় ঃ খণ্ড - ১

এই পাঠ্যবিষয়টিৰ প্ৰথম খণ্ডটোত সাতটা অধ্যায় আছে। ইয়াৰে প্ৰথম অধ্যায়টোৰ শিৰোনাম হ'ল — "অসমৰ ধৰ্মীয় পৰম্পৰা — শাক্ত ধৰ্ম আৰু শৈৱ ধৰ্ম"। অসমত শাক্ত, শৈৱ আৰু বৈষ্ণৱ — এই তিনিওটা ধৰ্মৰে পৰম্পৰা অতি প্ৰাচীন। অতি প্ৰাচীন কালৰেপৰা এই তিনিওটা ধৰ্ম অসমত সমান্তৰালভাৱে চলি আহিছে। এই ধৰ্মকেইটাৰ প্ৰাচীনত্বৰ প্ৰমাণ শিলালিপি, তামৰ ফলি, প্ৰাচীন স্থাপত্য-ভাস্কৰ্য আৰু বিভিন্ন গ্ৰন্থৰপৰা পাব পাৰি। সেয়ে প্ৰথম অধ্যায়টোত শাক্ত আৰু শৈৱ ধৰ্মীয় পৰম্পৰাৰ উদ্ভৱ, বিকাশ তথা ইয়াৰ লগত জড়িত পীঠ, মঠ-মন্দিৰসমূহৰ বিষয়ে সম্যক পৰিচয় আগবঢ়োৱাৰ লগতে দুয়োটা ধৰ্মীয় পৰম্পৰাৰে বাহক হিচাপে সৃষ্টি হোৱা সাহিত্যৰাজিৰ বিষয়েও বহলাই আলোচনা কৰা হৈছে।

পাঠবিষয়টিৰ দ্বিতীয় অধ্যায়টিৰ শিৰোনাম — "অসমৰ ধৰ্মীয় পৰম্পৰা — বৈষ্ণৱ ধৰ্ম"। বৈষ্ণৱ ধৰ্ম হিন্দুধৰ্মৰ এটা ঠাল। হিন্দু ধৰ্ম আচলতে এটা সাংস্কৃতিক পৰম্পৰা বা সমাজ পদ্ধতি। ভাৰতবৰ্ষৰ ইতিহাস অধ্যয়ন হিন্দু ধৰ্মৰ ইতিহাস অধ্যয়ন নকৰাকৈ সম্পূৰ্ণ নহয়। সেইবাবে ভাৰতীয় মানুহৰ ইতিহাস, ভাৰতৰ সমাজ সংস্কৃতি-ঐতিহ্যৰ অংশ স্বৰূপে ধৰ্মৰ ঠালবোৰৰ অধ্যয়ন অতিশয় জৰুৰী। বৈষ্ণৱ ধৰ্ম হিন্দুধৰ্মৰ আনবোৰ ঠালৰ তুলনাত বেছি গুৰুত্বপূৰ্ণ। অধ্যায়টোত বৈষ্ণৱ ধৰ্মৰ বিকাশৰ সাধাৰণ পৰিচয় দাঙি ধৰি অসমৰ বৈষ্ণৱ ধৰ্মৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা গৈছে। তৃতীয় অধ্যায়টোত ভক্তি আন্দোলনৰ সৰ্বভাৰতীয় পটভূমি সম্পৰ্কে আলোচনা কৰি প্ৰধান বৈষ্ণৱসকলৰ সাহিত্যকৃতি সম্পৰ্কে আলোচনা কৰা হৈছে। ভক্তি আন্দোলন যে এটা ধৰ্মীয় সংস্কাৰমূলক ঘটনা আছিল সেই বিষয়ে অৱগত কৰি ভক্তি আন্দোলন আৰু ইয়াৰ সৰ্বভাৰতীয় পটভূমি সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰিবলৈকে অধ্যায়টো পাঠ্যবিষয়ত সন্নিৱিষ্ট কৰা হৈছে। অসমৰ ভক্তি আন্দোলনৰ সূচনা আৰু বিকাশ কেনেদৰে হৈছিল সেই বিষয়ে বহলাই আলোচনা কৰাৰ লগতে শঙ্কৰদেৱে অসমত আৰম্ভ কৰা ভক্তি আন্দোলনৰ বৈশিষ্ট্যসমূহৰ বিষয়ে চমুকৈ আলোকপাত কৰা হৈছে 'অসমৰ ভক্তি আন্দোলন' শীৰ্ষক চতুৰ্থ অধ্যায়টোত। এই অধ্যায়টোৱে আপোনাক অসমৰ ভক্তি আন্দোলনৰ ধাৰা সম্পৰ্কে বিস্তৃত ধাৰণা প্ৰদান কৰিব।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নব্য প্ৰতিষ্ঠিত নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে অহোপুৰুষাৰ্থভাৱে বিবিধ কাব্য, নাট, গীত আদি ৰচনা কৰি সেই কৰ্মত প্ৰবৃত হোৱাৰ লগতে অসমীয়া সাহিত্যৰ ভঁৰালো বিবিধ উপাচাৰেৰে ভৰাই তুলিছিল। এই সাহিত্যৰাজিয়ে জনসাধাৰণৰ মনত সেই শতিকাৰে পৰা বৰ্তমান কাললৈকে ৰেখাপাত কৰি থকাৰ লগতে দিগ্‌দৰ্শনো কৰাইছে। শ্ৰীকৃষ্ণৰ মহিমা প্ৰচাৰ কৰি সৰ্বসাধাৰণ ৰাইজক ভক্তিত নিমজ্জিত কৰাৰ উদ্দেশ্যে ৰচিত হোৱা এই সাহিত্যৰাজিকে 'ভক্তি সাহিত্য' বুলি অভিহিত কৰা হয়। পৰৱৰ্তী সময়ত তেওঁৰ শিষ্য-প্ৰশিষ্যসকলেও বিবিধ সাহিত্য ৰচনা কৰি ভক্তি সাহিত্যক সমৃদ্ধ কৰিলে। 'অসমীয়া ভক্তি সাহিত্য' শীৰ্ষক পঞ্চম অধ্যায়টোত অসমীয়া ভক্তি সাহিত্যৰ সাধাৰণ পৰিচয় দাঙি ধৰি অসমীয়া ভক্তি সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য আৰু অসমীয়া ভক্তি সাহিত্যৰ ৰূপগত বিভাজন সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে।

পাঠ্যবিষয়ৰ ষষ্ঠ আৰু সপ্তম অধ্যায়ত মহাপুৰুষ শংকৰদেৱে বিৰচিত *আদি দশম* সম্পৰ্কে আলোচনা কৰা হৈছে। *আদি দশম ভাগৱতৰ* দশম স্কন্ধৰ একাংশ মাত্ৰ। অসমৰ মহাপুৰুষীয়া পৰম্পৰাত *দশম* বুলিলে শংকৰদেৱে অনুবাদ কৰা এই অংশকে সাধাৰণভাৱে বুজা যায়। ষষ্ঠ অধ্যায়ত *আদি দশমৰ* সম্যক পৰিচয় দাঙি ধৰি পুথিখনৰ বিষয়বস্তু, অনুবাদ ৰীতি আৰু কাব্যিক সৌন্দৰ্য সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। সপ্তম অধ্যায়ত *আদি দশমৰ* 'কালীয় দমন' আৰু 'বনাগ্নি পান' আখ্যান দুটাৰ বিষয়ে আলোচনা কৰা হৈছে। এই আলোচনাত মূলত *আদি দশমৰ* আখ্যান দুটাৰ মাজত শংকৰদেৱৰ আধ্যাত্মিক তত্ত্ব কেনেদৰে ফুটি উঠিছে সেই বিষয়ে অৱলোকন কৰা হৈছে।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত